কৰ্ম মোৰ সংস্কৃতি
☏: 0361-2557921 (Principal)
0361-2654229 (Office)

# অসম জাতীয় বিদ্যালয়
# Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com

প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date* :

## Birth Anniversary of Srimanta Sankardev Celebrated at Assam Jatiya Bidyalay, Noonmati

**Guwahati, 19 September, 2018 :** Along with the other parts of North-East, Assam Jatiya Bidyalay, Noonmati today celebrated 570th birth anniversary of Mohapurux Srimanta Sankardev at its school campus with a day-long programme. The significance of such an occasion was explained to the audience by Gunjan Das, a class XII student of the school. Then a Borgeet was performed by a group of students under the guidance of Barnali Das, a music teacher. After this, a Satriya Dance was performed by a group of students under the guidance of Khagen Kalita, a Satriya teacher. Ashim Krishna Baruah, a senior teacher from the department of Social Science, delivered a speech on the life and contribution of Srimanta Sankardev. In his speech, Mr. Baruah dwelt on the vast contribution of Mohapurux Sankardev in organizing the greater Assamese society calling him a great social scientist. Then Karishma Sarma, a teacher from the department of Assamese, performed a Borgeet and Manisha Deka, another teacher from the department of Assamese, rendered her voice to a song composed by Bishnu Prasad Rabha hailing the great son of Assam. Ghanashyam Medhi, the Principal of the school, sang a Folk song of Assam. Naam-Prasanga by a selected group of students enthralled the audience. The anchoring was done by Kabita Patgiri, HoD. Assamese and the vote of thanks was offered by Udaya Phukan, the Vice-Principal of the school. The convenor of the whole programme was Ashim Krishna Baruah, a senior teacher from the department of Social Science.

(Ghanashyam Medhi)
Principal
Assam Jatiya Bidyalay
Noonmati, Guwahati

# অসম জাতীয় বিদ্যালয়
## Assam Jatiya Bidyalay
নুনমাটি, গুৱাহাটী-৭৮১০২০
Noonmati, Guwahati - 781020

কৰ্ম মোৰ সংস্কৃতি

☏: 0361-2557921 (Principal)
0361-2654229 (Office)

e-mail:assamjatiyabidyalay@gmail.com
website:www.assamjatiyabidyalay.com


প্ৰসংগ :
*Ref :*

তাৰিখ :
*Date* :

**অসম জাতীয় বিদ্যালয়ত শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ পালন**

**নুনমাটি, গুৱাহাটী, ১৯ ছেপ্টেম্বৰ, ২০১৮** : গুৱাহাটীৰ নুনমাটিস্থিত অসম জাতীয় বিদ্যালয়ত ১৯ ছেপ্টেম্বৰ তাৰিখে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭০ সংখ্যক জন্মোৎসৱ পালন কৰা হয়। অনুষ্ঠানৰ আৰম্ভণিতে তাৎপৰ্য ব্যাখ্যা দাঙি ধৰে দ্বাদশ শ্ৰেণীৰ শিক্ষাৰ্থী গুঞ্জন দাসে। ইয়াৰ পিছতে বিদ্যালয়ৰ শিক্ষয়িত্ৰী বৰ্ণালী দাসৰ পৰিচালনাত শংকৰদেৱ বিৰচিত এটি বৰগীত পৰিৱেশন কৰে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীয়ে। বিদ্যালয়ৰ শিক্ষক খগেন কলিতাৰ পৰিচালনাত গুৰুজনাৰ অপূৰ্ব সৃষ্টি সত্ৰীয়া নৃত্য পৰিৱেশন কৰে বিদ্যালয়ৰ আন একাংশ শিক্ষাৰ্থীয়ে। অনুষ্ঠানত বিদ্যালয়ৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱাই শ্ৰীমন্ত শংকৰদেৱৰ জীৱন আৰু কৰ্মৰ ওপৰত ভাষণ প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ শংকৰদেৱক এগৰাকী সমাজ বিজ্ঞানী হিচাপে অভিহিত কৰাৰ লগতে সমাজ সংগঠনত গুৰুজনাৰ অৱদান সম্পৰ্কে আলোচনা আগবঢ়ায়। ইয়াৰ পিছতে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী কৰিশ্মা শৰ্মাই এটি বৰগীত আৰু শিক্ষয়িত্ৰী মণীষা ডেকাই বিষ্ণু ৰাভাৰ দ্বাৰা ৰচিত ‘অ’ গুৰু মোৰ শংকৰ’ শীৰ্ষক এটি গীত পৰিৱেশন কৰে। অনুষ্ঠানত বিদ্যালয়ৰ অধ্যক্ষ ঘনশ্যাম মেধিয়ে এটি লোকগীত পৰিৱেশনেৰে উপস্থিত সকলোকে আপ্লুত কৰে। তাৰ পিছতে বিদ্যালয়ৰ একাংশ শিক্ষাৰ্থীৰ দ্বাৰা প্ৰায় ২০ মিনিটজুৰি এটি নাম-প্ৰসংগৰ অনুষ্ঠান পৰিৱেশন কৰা হয়। বিদ্যালয়ৰ উপাধ্যক্ষা উদয়া ফুকনে শলাগৰ শৰাই আগবঢ়োৱা অনুষ্ঠানটিৰ আঁত ধৰে বিদ্যালয়ৰ অসমীয়া বিভাগৰ শিক্ষয়িত্ৰী কবিতা পাটগিৰিয়ে। সমগ্ৰ অনুষ্ঠানটোৰ আহ্বায়ক আছিল বিদ্যালয়ৰ সমাজ বিজ্ঞান বিভাগৰ জ্যেষ্ঠ শিক্ষক অসীম কৃষ্ণ বৰুৱা।

(ঘনশ্যাম মেধি)
অসম জাতীয় বিদ্যালয়
নুনমাটি, গুৱাহাটী-৭৮১০২০